# বিভাগীয় কাৰ্যাৱলী
## অসমীয়া বিভাগ
## এফ, এ, আহমেদ মহাবিদ্যালয়, গৰৈমাৰী

# DEPARTMENTAL ACTIVITIES
## Department of Assamese
### F. A. Ahmed College, Garoimari
Kamrup, Assam


**P.O: Tukrapara, Kamrup, Assam**
**Website: www.faacollege.org E-mail:faacollege1984@gmail.com**

## বিভাগীয় কাৰ্যাৱলীৰ তালিকা : অসমীয়া বিভাগ

# Table of Contents

| ক্ৰ. নং | তাৰিখ আৰু বছৰ | কাৰ্যৰ বিৱৰণ |
|---|---|---|
| ১ | ১৭-০১-২০১৭ | শিল্পী দিৱস উপলক্ষে জ্যোতি সংগীত প্ৰতিযোগিতা |
| ২ | ০৪-০২-২০১৭ | সাহিত্য চ'ৰা গঠন |
| ৩ | ০৮-০২-২০১৭ | আকস্মিক বক্তৃতা প্ৰতিযোগিতা |
| ৪ | ১৬-০২-২০১৭ | প্ৰাচীৰ পত্ৰিকা "জোনাক"ৰ উন্মোচন |
| ৫ | ০৭-০৪-২০১৭ | চতুৰ্থ ষান্মাসিকৰ দলীয় আলোচনাঃ বিষয়- অসমীয়া ব্যাকৰণৰ উপাদান |
| ৬ | ২২-০৪-২০১৭ | দ্বিতীয় ষান্মাসিকৰ দলীয় আলোচনাঃ বিষয়- জোনাকী যুগৰ সাহিত্য |
| ৭ | ২৩-০৮-২০১৭ | মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিথি উদযাপন |
| ৮ | ০৫-০৯-২০১৭ | শিক্ষক দিৱস উদযাপন |
| ৯ | ১৭-০১-২০১৮ | শিল্পী দিৱস উদযাপন |
| ১০ | ২৬-০১-২০১৮ | প্ৰাচীৰ পত্ৰিকা "জোনাক"ৰ উন্মোচন |
| ১১ | ২১-০২-২০১৮ | আন্তৰ্জাতিক মাতৃভাষা দিৱস পালন |
| ১২ | ১৪-০৩-২০১৮ | পাঠ্যক্ৰমৰ আধাৰত "কুইজ" অনুষ্ঠিত |
| ১৩ | ২৭-০৮-২০১৮ | পঞ্চম ষান্মাসিকৰ ছাত্ৰ- ছাত্ৰীৰ দলীয় আলোচনাঃ বিষয়- ধ্ৰুৱবাদ, ৰমন্যাসবাদ আৰু আধুনিকতাবাদ |
| ১৪ | ৩০-০৮-২০১৮ | তৃতীয় ষান্মাসিকৰ ছাত্ৰ- ছাত্ৰীৰ দলীয় আলোচনাঃ বিষয়- শংকৰদেৱৰ বৰগীত |
| ১৫ | ০৫-০৯-২০১৮ | শিক্ষক দিৱস উদযাপন |
| ১৬ | ১৫-০৯-২০১৮ | অধ্যক্ষৰ লগত অন্তৰংগ আলাপ |
| ১৭ | ০৫-১০-২০১৮ | পুথিভড়ালত অধ্যয়ন |
| ১৮ | ১০-১০-২০১৮ | পৰীক্ষাৰ বাবে প্ৰস্তুতিৰ ধাৰণা |
| ১৯ | ১৭-০১-২০১৯ | শিল্পী দিৱস উদযাপন |
| ২০ | ০৫-০২-২০১৯ | তৰ্ক প্ৰতিযোগিতা |
| ২১ | ২১-০২-২০১৯ | আন্তৰ্জাতিক মাতৃভাষা দিৱস পালন |
| ২২ | ১২০৩-২০১৯ | পঞ্চম ষান্মাসিকৰ ছাত্ৰ- ছাত্ৰীৰ দলীয় আলোচনাঃ বিষয়আধুনিক ভাৰতী সাহিত্যৰ ধাৰা |
| ২৩ | ১৯-০৮-২০১৯ | পুথিভড়ালত পুথি অধ্যয়ন |
| ২৪ | ২৫-০৮-২০১৯ | প্ৰতিদিন টাইম্‌চৰ মুখ্য সম্পাদক নিতুমনি শইকীয়াৰ সৈতে অন্তৰংগ আলাপ |
| ২৫ | ১৫-১০-২০১৯ | তৃতীয় ষান্মাসিকৰ ছাত্ৰ- ছাত্ৰীৰ দলীয় আলোচনাঃ বিষয় – অসমীয়া ভাষাৰ উপভাষা |
| ২৬ | এপ্ৰিল- ২০২০ | কৰোণা কালীন সময়ত দুখীয়া পৰিয়ালক সাহাৰ্য প্ৰদান |
| ২৭ | জুন, জুলাই, আগষ্ঠ/ ২০২০ | অনলাইন ক্লাছ |
| ২৮ | ২৬-০১-২০২১ | "জোনাক' প্ৰাচীৰ পত্ৰিকা উন্মোচন |
| ২৯ | ২৫-০৩-২০২১ | চতুৰ্থ ষান্মাসিকৰ ছাত্ৰ- ছাত্ৰীৰ দলীয় আলোচনাঃ বিষয় – তীব্ৰত বৰ্মী |

| | | |
|---|---|---|
| | | ভাষা পৰিয়ালৰ ইতিবৃত্ত |
| ৩০ | ১০-০৪-২০২১ | হস্ত তাঁত আৰু বস্ত্ৰ শিল্প সম্পৰ্কে এদিনীয়া কৰ্মশালা |
| ৩১ | ১১-০৯-২০২১ | বিভাগীয় ফুলনি বাগিছা পৰিস্কাৰ আৰু ফুল ৰোপন |
| ৩২ | ০৯-১০-২০২১ | দ্বিতীয় ষান্মাসিকৰ ছাত্ৰ- ছাত্ৰীৰ দলীয় আলোচনাঃ বিষয় – কবিতাত কল্পনা, চিত্ৰকল্প আৰু প্ৰতীক |
| ৩৩ | ২৫-১১-২০২১ | বিভাগীয় বিষয়ৰ আধাৰত "কুইজ" প্ৰতিযোগিতা |
| ৩৪ | ২৬-০১-২০২২ | প্ৰাচীৰ পত্ৰিকা "জোনাক" উন্মোচন |
| ৩৫ | ১২-০২-২০২২ | ঠাইতে কবিতা লিখা প্ৰতিযোগিতা |
| ৩৬ | ২৫-০৩-২০২২ | Google Class room ৰ ব্যৱহাৰ সম্পৰ্কে আলোচনা |
| ৩৭ | ০৭-০৪-২০২২ | চতুৰ্থ ষান্মাসিকৰ ছাত্ৰ- ছাত্ৰীৰ দলীয় আলোচনাঃ বিষয় – ভট্টদেৱৰ গদ্য শৈলী আৰু কথা-গুৰু চৰিতৰ গদ্য শৈলী |
| ৩৮ | ২৩-০৭-২০২২ | বিভাগীয় প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহ অনষ্ঠিত |
| ৩৯ | ১২-০৯-২০২২ | দলীয় আলোচনাঃ বিষয় আছিল এছ, ই, চিৰ প্ৰজেক্ট সম্পৰ্কে আলোচনা |
| ৪০ | ২০-১২-২০২২ | বিভাগীয় কাম-কাজৰ বিষয়ে জানিবলৈ বিকালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু অধ্যক্ষৰ সৈতে আলোচনা |
| ৪১ | ২১-১২-২০২২ | বিভাগীয় কাম-কাজৰ বিষয়ে জানিবলৈ ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু অধ্যক্ষৰ সৈতে আলোচনা |
| ৪২ | | বিভাগীয় পুথি ভড়াললৈ পুথি দান |

## ক্ষেত্ৰ অধ্যয়ন/ শিক্ষামূলক ভ্ৰমণ

| | | |
|---|---|---|
| ১ | ২০-০১-২০১৭ | পবিতৰা ৰাষ্ট্ৰীয় উদ্যান |
| ২ | ২০-০১-২০১৮ | ওৰাং ৰাষ্ট্ৰীয় উদ্যান |
| ৩ | ০৯-০৩-২০১৯ | টুক্ৰেশ্বৰী পাহাৰ, গোৱালপাৰা |
| ৪ | ১৯-০১-২০২০ | শিলডুবি পাহাৰ, মেঘালয় |
| ৫ | ১৫-০২-২০২২ | শ্ৰী সূৰ্য পাহাৰ, গোৱালপাৰা |

# <u>বিভাগীয় কাৰ্যাৱলীৰ বিৱৰণ</u>

১

এফ, এ আহমেদ মহাবিদ্যালয়, গৰৈমাৰীৰ অসমীয়া বিভাগৰ উদ্যোগত ১৭-০১-২০১৭ ইং তাৰিখে শিল্পী দিৱস উপলক্ষে "জ্যোতি সংগীত" প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।প্ৰতিযোগিতা খনত বিভাগৰ অধ্যাপক-অধ্যাপিকা সকলৰ লগতে ছাত্ৰ-ছাত্ৰী সকলো উপস্থিত থাকে । ইয়াৰ বিচাৰক হিচাপে উপস্থিত থাকে হিন্দী বিভাগৰ মুৰব্বী অধ্যাপক আব্দুল কৰিম আল-আমান চাহাবে ।






০৪-০২-২০১৭ ইং তাৰিখে এফ, এ, আহমেদ মহাবিদ্যালয়, গৰৈমাৰীৰ "অসমীয়া বিভাগ"ৰ অধ্যাপক- অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত বিভাগৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয় । উক্ত সভাত বিভাগৰ সাহিত্য সম্পৰ্কীয় কাম-কাজৰ বাবে "সাহিত্য চ'ৰা" গঠন কৰা হয় । সাহিত্য চ'ৰাৰ সম্পাদক হিচাপে ইছমাইল হক চৌধুৰী আৰু তত্বাৱধায়ক হিচাপে সহকাৰী অধ্যাপক নাছিৰ উদ্দিনক দায়িত্ব দিয়া হয় ।ইয়াৰ উপৰিও বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলৰ বৌদ্ধিক বিকাশৰ বাবে প্ৰতি বছৰে "জোনাক" নামেৰে এখন "প্ৰাচীৰ পত্ৰিকা" প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় ।





৩

এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ শ্ৰেণী কোঠাত বিভাগৰ ছাত্ৰ – ছাত্ৰীৰ মাজত ০৮-০২-২০১৭ ইং তাৰিখে আকস্মিক বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হয়।






৪.

১৬-০২-২০১৭ ইং তাৰিখে এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে বিভাগৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰচেষ্ঠা আৰু লিখনিৰ দ্বাৰা প্ৰাচীৰ পত্ৰিকা "জোনাক"ৰ উন্মোচন কৰা হয়। উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ আব্দুল আৱাল চাহাবে।



এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে ০৭-০৪-২০১৭ ইং তাৰিখে চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এক দলীয় আলোচনা (Group discussion)অনুষ্ঠিত কৰে। উক্ত আলোচনাৰ বিষয় আছিল " অসমীয়া ব্যাকৰণৰ উপাদানঃ ধ্বনিতত্ব আৰু ৰূপতত্ব"। আলোচনা কালত ছাত্ৰ-ছাত্ৰী সকলক চাৰিটা ভাগত ভাগ কৰি বিভাগৰ মুৰব্বী অধ্যাপক আব্দুল আলিম আৰু সহকাৰী অধ্যাপিকা মঞ্জু আহমেদে বিষয়টো খৰচি মাৰি আলোচনা আগবঢ়ায়।





এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে ২২-০৪-২০১৭ ইং তাৰিখে বিভাগৰ দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এক দলীয় আলোচনা অনুষ্ঠিত কৰা হয় । আলোচনাৰ বিষয় আছিল "জোনাকী যুগৰ সাহিত্য" তিনিটা দলত ছাত্ৰ-ছাত্ৰী সকলৰ বিভক্ত কৰি বিভাগৰ সহকাৰী অধ্যাপক নাছিৰ উদ্দিন আহমেদ আৰু ড০ আব্দুল জলিলে বিষটো সম্পৰ্কে বিতং আলোচনা দাঙি ধৰে।





এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক- অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী সকলে ইং ২৩-০৮-২০১৭ তাৰিখে বিভাগৰ শ্ৰেণীকোঠাত "মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিথি" উদযাপন কৰা হয় । উক্ত অনুষ্ঠানত গুৰুজনাৰ সৃষ্টি কীৰ্তন ঘোষা, বৰগীত, অংকীয়া নাট আদিৰ বিষয়ে বিভাগৰ অধ্যাপক –অধ্যাপিকাৰ লগতে ছাত্ৰ- ছাত্ৰী সকলেও নিজৰ নিজৰ বক্তব্য দাঙি ধৰে ।






৮.

এফ, এ, আহমেদ মহাবিদ্যালয়, গৌৰীমাৰীৰ অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলে ০৫-০৯-২০১৭ ইং তাৰিখে বিভাগৰ শ্ৰেণীকোঠাত "শিক্ষক দিৱস" ৰ কাৰ্যসূচী পালন কৰে । ছাত্ৰ-ছাত্ৰী সকলে শিক্ষক সকলক সম্বৰ্ধনা জনোৱাৰ পিচত শিক্ষক সকলে দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে ।






৯.

| |
|---|
| ১৭-০১-২০১৮ ইং তাৰিখে এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে বিভাগৰ শ্ৰেণীকোঠাত "শিল্পী দিৱস"ৰ আয়োজন কৰা হয় । বিভাগৰ মুৰব্বী অধ্যাপক আব্দুল আলিমৰ সভাপতিত্বত অনুষ্ঠিত উক্ত অনুষ্ঠানত বিভাগৰ অধ্যাপক –অধ্যাপিকা সকলৰ উপৰিও ছাত্ৰ- ছাত্ৰী সকলেও শিল্পী গৰাকীৰ মহান সৃষ্টিৰাজিৰ বিষয়ে নিজৰ নিজৰ অভিমত দাঙি ধৰে । |
|  |

২৬-০১-২০১৮ ইং তাৰিখে এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে বিভাগৰ বাৰ্ষিক প্ৰাচীৰ পত্ৰিকা "জোনাক"ৰ শুভ উন্মোচন কৰা হয় । উন্মোচন কৰে বিভাগৰ মুৰব্বী অধ্যাপক আব্দুল আলিমে ।উন্মোচনী ভাষণত বিভাগৰ শিক্ষক আৰু ছাত্ৰ- ছাত্ৰী সকলৰ সমূহীয়া প্ৰচেষ্ঠাক ধন্যবাদ জনায় ।



এফ, এ, আহমেদ মহাবিদ্যালয়, গৰৈমাৰীৰ অসমীয়া বিভাগৰ শিক্ষক আৰু ছাত্ৰ- ছাত্ৰী সকলৰ উদ্যোগত বিভাগৰ শ্ৰেণীকক্ষত ২১-০২-২০১৮ ইং তাৰিখে "আন্তৰ্জাতিক মাতৃভাষা দিৱস" (International Mother Language day'') পালন কৰা হয় ।বিভাগৰ মুৰব্বী অধ্যাপক আব্দুল আলিম সভাপতিত্ব কৰা অনুষ্ঠান টোত সহকাৰী অধ্যাপিকা মঞ্জু আহমেদে বিষয়টোৰ তাৎপৰ্য ব্যাখ্যা দাঙি ধৰে ।






১২.

১৪-০৩-২০১৮ ইং তাৰিখে এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে অসমীয়া বিভাগৰ পাঠ্যক্ৰমৰ আধাৰত তিনিওটা শ্ৰেণীৰ ছাত্ৰ- ছাত্ৰী সকলৰ মাজত " কুইজ" প্ৰতিযোগিতাৰ আয়োজন কৰা হয় । উক্ত কুইজ প্ৰতিযোগিতা খন পৰিচালনা কৰে অধ্যাপক নাছিৰ উদ্দিন আহমেদে । প্ৰতিযোগিতা খনত ছবুৰ উদ্দিনৰ দল প্ৰথম আৰু সৌৰভ বসাকৰ দল দ্বিতীয় স্থান লাভ কৰে ।






২৭-০৮-২০১৮ ইং তাৰিখে এফ, এ, আহমেদ মহাবিদ্যালয়, গৈৰিমাৰীৰ অসমীয়া বিভাগৰ পঞ্চম ষাণ্মাসিকৰ ছাত্ৰ- ছাত্ৰী সকলক চাৰিটা দলত বিভক্ত কৰি এক "দলীয় আলোচনা" অনুষ্ঠিত কৰা হয়। আলোচনাৰ বিষয় আছিল " ধ্ৰুৱবাদ, ৰমন্যাসবাদ আৰু আধুনিকতাবাদ"। বিভাগৰ সহকাৰী অধ্যাপক নাছিৰ উদ্দিন আহমেদে প্ৰতিটো দলৰ সৈতে বিষয় টোৰ সুন্দৰ ব্যাখ্যা দাঙি ধৰে ।





১৪.

৩০ আগষ্ট/২০১৮ ইং তাৰিখে এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে অসমীয়া প্ৰধান পাঠ্যক্ৰমৰ তৃতীয় ষাণ্মাষিকৰ ছাত্ৰ- ছাত্ৰী সকলৰ মাজত এটা দলীয় আলোচনা অনুষ্ঠানৰ আয়োজন কৰা হয় । উক্ত দলীয় আলোচনাত "শংকৰদেৱৰ বৰগীত" সম্পৰ্কে আলোচনা কৰা হয় ।





১৫.

০৫ ছেপ্তেম্বৰ/ ২০১৮ ইং তাৰিখে এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ- ছাত্ৰী সকলে "শিক্ষক দিৱস"ৰ কাৰ্যসূচী পালন কৰে। অনুষ্ঠান টিত বিভাগৰ ছাত্ৰ- ছাত্ৰী সকলৰ বক্তব্যৰ পিচতে অধ্যাপক- অধ্যাপিকা সকলে ৫ ছেপ্তেম্বৰৰ তাৎপৰ্য সম্পৰ্কে বিতং ব্যাখ্যা দাঙি ধৰে।





১৬.

এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে বিভাগৰ ছাত্ৰ- ছাত্ৰীৰ অভাৱ- অভিযোগ, খোৱা পানী, কিতাপ আৰু বিভাগৰ এটা স্থায়ী অফিচ ৰুমৰ অভাৱ আৰু দৰকাৰ সম্পৰ্কে ইং ১৫-০৯-২০১৮ তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষৰ সৈতে এক অন্তৰংগ আলাপত মিলিত হয় ।





০৫-১০-২০১৮ ইং তাৰিখে এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে বিভাগৰ সহকাৰী অধ্যাপিকা মন্‌জু অহমেদৰ নেতৃত্বত বিভাগৰ তৃতীয় ষান্মাসিকৰ ছাত্ৰ- ছাত্ৰী সকলক মহাবিদ্যলয়ৰ কেন্দ্ৰীয় পুথিভড়ালত কিদৰে পুথি অধ্যয়ন কৰিব লাগে এই দিশটোৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি মহাবিদ্যলয়ৰ পুথি ভড়ালত এক ঘন্টাৰ এটা কাৰ্যসূচী পালন কৰে ।






১৮.

১০-১০-২০১৮ ইং তাৰিখে এফ, এ, আহমেদ মহাবিদ্যলয়ৰ অসমীয়া বিভাগে আগন্তক পৰীক্ষাৰ প্ৰস্তুতি কিদৰে কৰিব, সেই সম্পৰ্কে তিনিওটা ষান্মাষিকৰ ছাত্ৰ- ছাত্ৰী সকলৰ লগত পৰীক্ষাৰ বাবে প্ৰস্তুতিৰ ধাৰণা আৰু সাম্ভাব্য প্ৰশ্ন আৰু উত্তৰ কিদৰে লিখিব লাগে, সেই সম্পৰ্কে আলোচনা কৰা হ'য় ।





১৯.

২০১৯ ইং বৰ্ষৰ ১৭ জানুৱাৰীত এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় শ্ৰেণীকোঠাত "শিল্পী দিৱস" উপলক্ষে এক আলোচনা চক্ৰৰ আয়োজন কৰা হয় । আলোচনা চক্ৰৰ বিষয় আছিল "অসমীয়া ভাষা- সাহিত্য- সংস্কৃতিলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান" । বিভাগৰ মুৰব্বী অধ্যাপক আৰু সহকাৰী অধ্যাপক- অধ্যাপিকা সকলে বিষয়টো সম্পৰ্কে বিতং আলোচনা দাঙি ধৰে ।





২০.

০৫ ফেব্ৰুৱাৰী'২০১৯ ইং তাৰিখে এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে বিভাগৰ শ্ৰেণীকক্ষত বিভাগৰ তিনিওটা ষান্মাসিকৰ ছাত্ৰ- ছাত্ৰী সকলৰ মাজত "তৰ্ক প্ৰতিযোগিতা"ৰ আয়োজন কৰে । তৰ্ক প্ৰতিযোগিতাৰ বিষয় "সাহিত্যই জাতিৰ দাপোন" । বিভাগৰ সহকাৰী অধ্যাপক নাছিৰ উদ্দিন আহমেদৰ পৰিচালনাত অনুষ্ঠিত প্ৰতিযোগিতা খনত আফছানা ছুলতানা প্ৰথম আৰু নুৰুল ইছলাম দ্বিতীয় স্থান লাভ কৰে ।





২১.

এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে ২১ ফেব্ৰুৱাৰী' ২০১৯ ইং তাৰিখে বিভাগৰ শ্ৰেণী কোঠাত "আন্তৰ্জাতিক মাতৃ-ভাষা দিৱস" (International Mother Language Day) পালন কৰে। এই সভাত মাতৃ ভাষাৰ তাৎপৰ্য, গুৰুত্ব আৰু ইয়াৰ সুৰক্ষা সম্পৰ্কে আলোচনা কৰা হয়।



| |
|---|
| ১২-০৩-২০১৯ ইং তাৰিখে এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰী সকলক তিনিটা দলত বিভক্ত কৰি "দলীয় আলোচনা"(Group Discussion) অনুষ্ঠিত কৰা হয় । দলীয় আলোচনাৰ বিষয় আছিল " আধুনিক ভাৰতীয় সাহিত্যৰ ধাৰা"। দলীয় আলোচনাত ভাগলৈ বিভাগৰ সহকাৰী অধ্যাপক নাছিৰ উদ্দিন আহমেদে বিষয়টোৰ ওপৰত বিতং আলোচনা দাঙি ধৰে । |
|  |
|  |

১৯-০৮-২০১৯ ইং তাৰিখে এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰথম ষান্মাসিকৰ ছাত্ৰ- ছাত্ৰী সকলৰ মাজত আজৰি সময়ত "পুথি-ভড়ালত পুথি অধ্যয়ন"ৰ প্ৰতি মানসিকতা গঢ় দিয়াৰ উদ্দেশ্য আগত ৰাখি বিভাগৰ সহকাৰী অধ্যাপিকা মন্‌জু আহমেদৰ নেতৃত্বত পুথি ভড়ালত এঘণ্টা কাৰ্যসূচী হাতত লোৱা হয় । কাৰ্যসূচীত অধ্যাপিকা গৰাকীয়ে "পঢ়নৰ পৰা দূৰৈৰ মানিক হাততে পোৱা যায়" বাক্যশাৰীৰ জৰিয়তে কেৱল পাঠ্যক্ৰমৰ পুথিয়ে যে জ্ঞান আহৰণৰ বাবে পৰিপূৰ্ণ নহয় সেইকথাষাৰ ব্যক্ত কৰি পুথি ভড়ালে এই ক্ষেত্ৰত এক উল্লেখযোগ্য ভুমিকা লব পাৰে বুলি ছাত্ৰ-ছাত্ৰীক অৱগত কৰে।






২৫-০৮-২০১৯ ইং তাৰিখে এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমনি শইকীয়াৰ সৈতে এক অন্তৰংগ আলাপত মিলিত হয়। মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা "শিশু সমাৰোহ"ৰ মুখ্য অতিথি নিতুমনি শইকীয়াই সভাৰ শেষত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু বিভাগৰ অধ্যাপক- অধ্যাপিকা সকলৰ লগত কিছু সময়ৰ বাবে অন্তৰংগ আলাপত মিলিত হয়। আলাপত শইকীয়াই সংখ্যালঘু অঞ্চলৰ বিদ্যালয়- মহাবিদ্যালয় সমূহে অসমীয়া ভাষাৰ অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য ভুমিকা লৈছে আৰু ল'ব লাগিব বুলি মত দাঙি ধৰে।



১৫-১০-২০১৯ ইং তাৰিখে এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে বিভাগৰ তৃতীয় ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এক "দলীয় আলোচনা" (Group Discussion) কাৰ্যসূচী পালন কৰে । তিনিটা দলত বিভক্ত কৰি ছাত্ৰ- ছাত্ৰী সকলৰ মাজত "অসমীয়া ভাষাৰ উপভাষা" বিষয়টোৰ আলোচনা কৰা হয় ।বিভাগৰ অধ্যাপিকা মন্‌জু আহমেদৰ নেতৃত্বত অনুষ্ঠিত আলোচনাত অধ্যাপিকা গৰাকীয়ে বিষয়টোৰ বিষয়ে খৰচি মাৰি আলোচনা দাঙি ধৰে।





এফ, এ, আহমেদ মহাবিদ্যালয়, গৰৈমাৰীৰ অসমীয়া বিভাগৰ ফালৰ পৰা অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ পৰামৰ্শ অনুসৰি "কৰোণা"ৰ সময়ত অসমীয়া বিভাগৰ প্ৰতিগৰাকী অধ্যাপক-অধ্যাপিকাই সমাজৰ দুখীয়া পৰিয়াললৈ সাহায্য প্ৰদান কাৰ্যসূচী হাতত লোৱা হয়। ২০২০ চনৰ এপ্ৰিল মাহত এই কাৰ্যসূচী পালন কৰা হয় ।







"অন-লাইন ক্লাছ" এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে বিশ্বজুৰি কৰোণা মহামাৰীৰ সময়ত সামাজিক দূৰত্ব বজাই ৰখাৰ বাবে আৰু লকডাউনৰ পৰিপ্ৰেক্ষিতত বিদ্যালয়- মহাবিদ্যালয় সমূহত পাঠদান প্ৰক্ৰিয়া ব্যাহত হোৱাৰ বাবে "অনলাইন ক্লাছ" কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ছাত্ৰ-ছাত্ৰী সকলক জুম এপ' (Zoom app) ৰ মাধ্যমেৰে ২০২০ চনৰ জুন, জুলাই আৰু আগষ্ট মাহত পাঠদান প্ৰক্ৰিয়া অব্যাহত ৰখা হয়।




2:13 PM
97
NASIR UDDIN AHMED
Redmi5A
Connecting to audio ×
Shoriful


11:38 AM
NASIR UDDIN AHMED
realme U1
Rofiqul Islam
Galaxy A2 Core

২৬-০১-২০২১ ইং তাৰিখে এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বাৰ্ষিক প্ৰাচীৰ পত্ৰিকা "জোনাক"ৰ শুভ উন্মোচন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ আব্দুল আৱাল চাহাবে "জোনাক" উন্মোচন কৰি দিয়া ভাষনত বিভাগক ধন্যবাদ জনাই ইয়ে ছাত্ৰ- ছাত্ৰী সকলৰ বৌদ্ধিক বিকাশত সহায় কৰাৰ উপৰিও সাহিত্যিক সৃষ্টিৰ ক্ষেত্ৰত সহায়ক হব বুলি মত দাঙি ধৰে।



২৫-০৩-২০২১ ইংতাৰিখে এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে বিভাগৰ চতুৰ্থষান্মাসিকৰ ছাত্ৰ- ছাত্ৰীসকলৰ মাজত দলীয় আলোচনা অনুষ্ঠিতকৰে। বিভাগৰছাত্ৰ-ছাত্ৰীসকলক তিনিটা ভাগত বিভক্ত কৰি এই দলীয় আলোচনা কৰা হয়। দলীয় আলোচনাত ”তীব্ৰত বৰ্মী ভাষাপৰিয়ালৰ ইতিবৃত্ত ”সম্পৰ্কে খৰচি মাৰি আলোচনা কৰা হয়





১০-০৪-২০২১ ইং তাৰিখে এফ, এ, আহমেদ মহাবিদ্যালয়, গৰৈমাৰীৰ অসমীয়া বিভাগে “হস্ততাঁত আৰু বস্ত্ৰ শিল্প” বিষয়ক এখন এদিনীয়া কৰ্মশালাৰ আয়োজন কৰা হয়। কৰ্মশালা খন মহাবিদ্যালয়ৰ ওচৰৰে গৰৈমাৰী সত্ৰ গাওঁত অনুষ্ঠিত কৰা হয়, বিভাগৰ সহকাৰী অধ্যাপিকা মন্‌জু আহমেদৰ পৰিচালনাত অনুষ্ঠিত কৰ্মশালা খনত বিভাগৰ ছাত্ৰী সকলক তাতঁশাল, বয়ন শিল্প আদিৰ বিষয়ে জ্ঞান দিয়া হয় আৰু এই শিল্পৰে যে স্বাৱলম্বী হব পাৰি সেই বিষয়েও জ্ঞাত কৰোৱা হয়।





| |
|---|
| এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে ১১-০৯-২০২১ ইং তাৰিখে আবেলি ০২ বজাত বিভাগৰ ফুলনি বাগিছা খনত কাম কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই মৰ্মে বিভাগৰ অধ্যপক-অধ্যাপিকা আৰু ছাত্ৰ- ছাত্ৰী সকলে বাগিছা খনৰ ঘাঁহ-বন পৰিস্কাৰ কৰে আৰু ফুলৰ গছবোৰ যতনাই দিয়া হয় । |
|  |
|  |

০৯-১০-২০২১ ইং তাৰিখে এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ দ্বিতীয় ষান্মাসিকৰ ছাত্ৰ- ছাত্ৰী সকলৰ মাজত দলীয় আলোচনা অনুষ্ঠিত কৰা হয়। দলীয় আলোচনাৰ বিষয় আছিল- "কবিতাত কল্পনা, চিত্ৰকল্প আৰু প্ৰতীক"। নাছিৰ উদ্দিন আহমেদে পৰিচালনা কৰা দলীয় আলোচনাত বিষয় সম্পৰ্কে ছাত্ৰ- ছাত্ৰীৰ মনত উদয় হোৱা সকলো প্ৰশ্নৰে সহজ-সৰল ভাষাত উত্তৰ দিয়া হয়।





২৫-১১-২০২১ ইং তাৰিখে মহাবিদ্যালয়ৰ অসমীয়া বিভাগে তিনিওটা ষান্মাসিকৰ ছাত্ৰ- ছাত্ৰীৰ মাজত বিভাগৰ পাঠ্যক্ৰমৰ আধাৰত "কুইজ" প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। বিভাগৰ অধ্যাপক নাছিৰ উদ্দিন আহমেদ আৰু মন্‌জু আহমেদে পৰিচালনা কৰা প্ৰতিযোগিতা খনত প্ৰথম হয় - ছিমি বেগম, সাহিদা, আকলিমা আৰু আফছানা। দ্বিতীয় হয় – স্বাহনাজ, ৰাবিয়া আৰু আলমিনা।





২৬-০১-২০২২ ইং তাৰিখে এফ,এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে শিক্ষক, ছাত্ৰী-ছাত্ৰীৰ উপস্থিতিত মহাবিদ্যালয়ৰ অধ্যক্ষই অসমীয়া বিভাগৰ বাৰ্ষিক প্ৰকাশ পোৱা প্ৰাচীৰ পত্ৰিকা ”জোনাক”খন উন্মোচন কৰে।




এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত ইং ১২-০২-২০২২ তাৰিখে বিভাগৰ ছাত্ৰ- ছাত্ৰী সকলৰ মাজত বিভাগৰ শ্ৰেণী কোঠাত "ঠাইতে লিখা কবিতা প্ৰতিযোগিতা"ৰ আয়োজন কৰা হয়। দিনৰ ১২ বজাত অনুষ্ঠিত প্ৰতিযোগিতা খনত প্ৰথম স্থান লাভ কৰে পৰী শইকীয়াই আৰু দ্বিতীয় স্থান লাভ কৰে সাহিদা খাতুনে।






২৫-০৩-২০২২ ইং তৰিখে এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে দিনৰ ১২ বজাত বিভাগৰ শ্ৰেণী কোঠাত "Google Class room"ৰ ব্যৱহাৰ সম্পৰ্কে এখন আলোচনাৰ আয়োজন কৰা হয়। সভাত IQAC ৰ সমন্বয়কছাৰেআলোচনাসভাৰবিষয়ৰওপৰতবিতংআলোচনাদাঙিধৰে ।






এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে ০৭-০৪-২০২২ ইং তাৰিখে বিভাগৰ চতুৰ্থ ষান্মাসিকৰ ছাত্ৰ- ছাত্ৰী সকলক চাৰিটা দলত বিভক্ত কৰি দলীয় আলোচনা অনুষ্ঠিত কৰে । বিভাগৰ সহকাৰী অধ্যাপক নাছিৰ উদ্দিনে পৰিচালনা কৰা দলীয় আলোচনাৰ বিষয় আছিল- "ভট্টদেৱৰ গদ্য শৈলী আৰু কথা-গুৰু চৰিতৰ গদ্য শৈলী"। প্ৰতিটো দলৰ এজনৰ ভাষণৰ পিছত পৰিচালক নাছিৰ উদ্দিন আহমেদে দুয়োটা গদ্য শৈলীৰ বিষয়ে বিতং আলোচনা দাঙি ধৰে।





এফ, এ, আহমেদ মহাবিদ্যাল, গৰৈমাৰীৰ অসমীয়া বিভাগে ২৩ জুলাই/ ২০২২ ইং তাৰিখে বিভাগৰ "প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহ" অনুষ্ঠিত কৰে। বিভাগৰ সহকাৰী অধ্যাপিকা মন্‌জু আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সমাৰোহ খনত মহাবিদ্যালয়ৰ অধ্যক্ষ আব্দুল আৱাল চাহাব আৰু পৰিচালনা সমিতিৰ সভাপতি নুৰুল ইছলাম ডাঙৰীয়াও উপস্থিত থাকি ভাষণ প্ৰদান কৰে। বিহু-হুচৰি, নৃত্য-গীতেৰে অনুষ্ঠিত সমাৰোহ খনত "নেট", শ্লেট উৰ্ত্তীৰ্ন আৰু পি. এইছ. ডি ত নিজৰ নাম সুৰক্ষিত কৰা বিভাগৰ প্ৰাক্তন ছাত্ৰ ইছমাইল হক চৌধুৰীক সম্বৰ্ধনা জনোৱা হয়।






প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহ
অসমীয়া বিভাগ


প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহ
অসমীয়া বিভাগ

৩৯.

১২-০৯-২০২২ ইং তাৰিখে এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে তৃতীয় ষান্মাসিকৰ ছাত্ৰ- ছাত্ৰী সকলৰ মাজত দলীয় আলোচনা অনুষ্ঠিত কৰে । চাৰিটা দলত বিভক্ত কৰি কৰা আলোচনাৰ বিষয় আছিল এছ, ই, চিৰ প্ৰজেক্ট সম্পৰ্কে আলোচনা ।





এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক নাছিৰ উদ্দিন আহমেদ, মন্‌জু আহমেদ আৰু অধ্যক্ষ আব্দুল আৱাল চাহাবে "নাক"ৰ প্ৰস্তুতিৰ ক্ষেত্ৰত বিকালী মহাবিদ্যালয়ত অসমীয়া বিভাগৰ ইতিমধ্যে কৰা কামবোৰ চাবলৈ ২০ ডিচেম্বৰ/২০২২ ইং তাৰিখে গৈ সেইখন মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ মনোজ গগৈ আৰু অসমীয়া বিভাগৰ সৈতে আলোচনা কৰা হয়।






২১-১২-২০২২ ইং তাৰিখে এফ, এ, আহমেদ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে "নাক"ৰ প্ৰস্তুতিৰ বাবে বিভাগীয় কাম-কাজ চাবলৈ ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়লৈ যোৱা হৈছিল। বিভাগৰ সহকাৰী অধ্যাপক নাছিৰ উদ্দিন আহমেদ, মন্‌জু আহমেদ , আই,কিউ,এ,,চিৰ সমন্বয়ক ড০ শ্বেইখ মজিবৰ ৰহমান  আৰু অধ্যক্ষ আব্দুল আৱাল চাহাব উক্ত মহাবিদ্যালয়লৈ যোৱাৰ পিচত ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষৰ সৈতে।



এফ, এ, আহমেদ মহাবিদ্যালয়, গৰৈমাৰীৰ অসমীয়া বিভাগে ২০-০১-২০১৭ ইং তাৰিখে বিভাগৰ চতুৰ্থ ষান্মাসিকৰ লগতে আন আন ষান্মাসিকৰ ছাত্ৰ- ছাত্ৰীক লৈ ”পবিতৰা ৰাষ্ট্ৰীয় উদ্যান”লৈ বিভাগৰ পৰা ক্ষেত্ৰ অধ্যয়ন/ শিক্ষামূলক ভ্ৰমনলৈ যোৱা হয়






এফ, এ, আহমেদ মহাবিদ্যালয়, গৰৈমাৰীৰ অসমীয়া বিভাগে ২০-০১-২০১৮ ইং তাৰিখে বিভাগৰ চতুৰ্থ ষান্মাসিকৰ লগতে আন আন ষান্মাসিকৰ ছাত্ৰ- ছাত্ৰীক লৈ "ওৰাং ৰাষ্ট্ৰীয় উদ্যান"লৈ বিভাগৰ পৰা ক্ষেত্ৰ অধ্যয়ন/ শিক্ষামূলক ভ্ৰমনলৈ যোৱা হয়। বিভাগৰ অধ্যাপক- অধ্যাপিকা সকলে ছাত্ৰ- ছাত্ৰী সকলৰ সৰু সৰু গোটত বিভক্ত কৰি উদ্যানৰ ভিতৰলৈ প্ৰৱেশ কৰে।





এফ, এ, আহমেদ মহাবিদ্যালয়, গৰৈমাৰীৰ অসমীয়া বিভাগে ০৯-০৩-২০১৯ ইং তাৰিখে বিভাগৰ চতুৰ্থ ষান্মাসিকৰ লগতে আন আন ষান্মাসিকৰ ছাত্ৰ- ছাত্ৰীক লৈ "টুক্ৰেশ্বৰী পাহাৰ, গোৱালপাৰা"লৈ বিভাগৰ পৰা ক্ষেত্ৰ অধ্যয়ন/ শিক্ষামূলক ভ্ৰমনলৈ যোৱা হয়। বিভাগৰ অধ্যাপক- অধ্যাপিকা সকলে ছাত্ৰ- ছাত্ৰী সকলৰ সৰু সৰু গোটত বিভক্ত কৰি অধ্যয়ন কৰিবলৈ হয়।



এফ, এ, আহমেদ মহাবিদ্যালয়, গৰৈমাৰীৰ অসমীয়া বিভাগে ১৯-০১-২০২০ ইং তাৰিখে বিভাগৰ চতুৰ্থ ষান্মাসিকৰ লগতে আন আন ষান্মাসিকৰ ছাত্ৰ- ছাত্ৰীক লৈ "শিলডুবি পাহাৰ"লৈ বিভাগৰ পৰা ক্ষেত্ৰ অধ্যয়ন/ শিক্ষামূলক ভ্ৰমনলৈ যোৱা হয়। বিভাগৰ অধ্যাপক- অধ্যাপিকা সকলে ছাত্ৰ- ছাত্ৰী সকলৰ সৰু সৰু গোটত বিভক্ত কৰি শিলডুবিৰ বিষয়ে জানিবলৈ প্ৰয়াস কৰা হয়।






| |
|---|
| এফ, এ, আহমেদ মহাবিদ্যালয়, গৰৈমাৰীৰ অসমীয়া বিভাগে ২০-০১-২০২২ ইং তাৰিখে বিভাগৰ চতুৰ্থ ষান্মাসিকৰ লগতে আন আন ষান্মাসিকৰ ছাত্ৰ- ছাত্ৰীক লৈ "শ্ৰী শ্ৰী সূৰ্য পাহাৰলৈ"লৈ বিভাগৰ পৰা ক্ষেত্ৰ অধ্যয়ন/ শিক্ষামূলক ভ্ৰমনলৈ যোৱা হয়। বিভাগৰ অধ্যাপক- অধ্যাপিকা সকলে ছাত্ৰ- ছাত্ৰী সকলৰ সৰু সৰু গোটত বিভক্ত কৰি বিভিন্ন তথ্য আহৰণৰ চেষ্ঠা কৰা হয়। |
|  |
|  |

## অসমীয়া বিভাগলৈ কিতাপ দান কৰা ব্যক্তি সকলৰ  ফটো

কিতাপ আৰু ঘড়ী দান কৰাৰ সময়ত অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক চাহাব খান আৰু তেখেতৰ সহধৰ্মীনি





প্রাক্তন ছাত্র ছুলতান মামুদ



প্রক্তন ছাত্র আক্রম হুছেইন



প্ৰাক্তন ছাত্ৰ



প্ৰাক্তন ছাত্ৰ তথা আল-ইচলাম বুক ষ্টলৰ গৰাকী ৰ অসমীয়া বিভাগৰ পুথি ভড়ালৈ পুথি দান



প্রাক্তন ছাত্র



প্রাক্তন ছাত্র



অসমীয়া বিভাগৰ পুথি ভড়ালৰ লৈ গৰৈমাৰীৰ ছাত্ৰ বন্ধু লাইব্ৰেৰীৰ গৰাকীৰ পুথি দান



<u>বিভাগীয় আলোচনা চক্ৰ</u>

এফ, এ, আহমেদ মহাবিদ্যালয়, গৰৈমাৰীৰ অসমীয়া বিভাগে ১৪-০৮-২০১৭ ইং তাৰিখে বিভাগৰ শ্ৰেণীকোঠাত “মামনি ৰয়চম গোস্বামীৰ উপন্যাসত সামাজিক জীৱন” শীৰ্ষক এখনি আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়।






<u>বিভাগীয় আলোচনা চক্র</u>

এফ, এ, আহমেদ মহাবিদ্যালয়, গৰৈমাৰীৰ অসমীয়া বিভাগে ১০-০৮-২০১৮ ইং তাৰিখে বিভাগৰ শ্ৰেণীকোঠাত "ভূপেন হাজৰিকাৰ গীতত মানৱতা বাদ" শীৰ্ষক এখনি আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়।






<u>বিভাগীয় আলোচনা চক্ৰ</u>

এফ, এ, আহমেদ মহাবিদ্যালয়, গৰৈমাৰীৰ অসমীয়া বিভাগে ২৮-০৮-২০১৯ ইং তাৰিখে বিভাগৰ শ্ৰেণীকোঠাত "অসমীয়া ভাষালৈ আৰ্যভিন্ন ভাষা সমূহে আগবঢ়োৱা বৰঙণি" শীৰ্ষক এখনি আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়।



২০১৮ ইং বৰ্ষত অসমীয়া বিভাগৰ পৰা স্নাতক প্ৰাক্তন ছাত্ৰ ইছমাইল হুছেইন চৌধুৰীয়ে ২০২১-২২ বৰ্ষত সুখ্যাতিৰে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি একে বছৰতে নেট, শ্লেট আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা দ্বিতীয় স্থানত পি, এইছ, ডি ত নিজৰ স্থান সুৰক্ষিত কৰাৰ পিছত বিভাগৰ পৰা তেওঁক সম্বৰ্ধনা জনোৱা হয়।

